অধ্যায় ৪ ঃ ভাৰতত টেলিভিছন সম্প্ৰচাৰৰ ইতিহাস

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ভাৰতত টেলিভিছনৰ বিকাশ আৰু অগ্ৰগতি
৪.৪ 'ইনচেট'ৰ উৎক্ষেপন
৪.৫ ১৯৮২ চনৰ পাছৰ অগ্ৰগতি
৪.৬ ৰঙীন টেলিভিছনৰ আত্মপ্ৰকাশ
৪.৭ বৈদ্যুতিক মাধ্যমৰ স্বনিয়ন্ত্ৰণ
৪.৮ চন্দা সমিতিৰ প্ৰতিবেদন
৪.৯ ভাৰ্গিছ সমিতিৰ কৰ্ণধাৰ গোটৰ প্ৰতিবেদন
৪.১০ যোশী সমিতিৰ প্ৰতিবেদন
৪.১১ ডিজিটেল টেৰেষ্ট্ৰিয়েল টেলিভিছন ব্ৰডকাষ্টিং()
৪.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১৩ অধিক জানিবলৈ
৪.১৪ আৰ্হি প্ৰশ্ন

৪.১উদ্দেশ্য

অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতত টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰৰ অগ্ৰগতিআলোচনা কৰিব আৰু এই দিশৰ উল্লেখযোগ্য সফলতাবোৰ চিনাক্ত কৰিব পাৰিব
- ভাৰতীয় টেলিভিছনৰ প্ৰযুক্তিগত বিকাশৰ আঁৰৰ প্ৰয়াস আৰু এই প্ৰয়াসবোৰৰ ফলাফল বুজিব পাৰিব
- টেলিভিছন সেৱা উন্নত কৰাৰ বাবে ভাৰতত গঠন কৰা বিভিন্ন সংবাদ মাধ্যমভিত্তিক সমিতিৰ বিষয়ে জানিব পাৰিব।

৪.২পৰিচয়

ভাৰতকে ধৰি বিশ্বৰ সকলো দেশতে পাৰ হৈ যোৱা দশক কেইটামানৰ পৰা আজি পৰ্যন্ত টেলিভিছনে সকলো বয়সৰ লোকৰ সংগী তথা মনোৰঞ্জনৰ আহিলাৰূপে সেৱা আগবঢ়াই আহিছে। ইণ্টাৰনেট বিপ্লৱ আৰু মোবাইল ফোণৰ জনপ্ৰিয়তায়ো টেলিভিছনৰ মনোৰঞ্জন প্ৰদানকাৰী

ভূমিকাটোক প্ৰত্যাহ্বান জনাব পৰা নাই। মাধ্যমটোৱে শেহতীয়া ডিজিটেল প্ৰযুক্তিৰ সহায়ত নিজকে সময়ৰ সৈতে ফেৰ মাৰিব পৰাকৈ সজাই-পৰাই তুলিছে. ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছৰ সময়ছোৱাত টেলিভিছনে বিকাশৰ ক্ষেত্ৰখনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

৪.৩ভাৰতত টেলিভিছনৰ বিকাশ আৰু অগ্ৰগতি

ভাৰতত জাতিৰ বিকাশ ঘটাৰ সমানেই টেলিভিছনৰো বিকাশ ঘটিছে। টেলিভিছনে ভাৰতৰ উন্নয়ন আৰু সফলতাৰ বাৰ্তা প্ৰচাৰত সক্ৰিয় অংশগ্ৰহণকাৰীৰ ভূমিকা লৈ আহিছে। কিছুমান বিশেষজ্ঞৰ মতে ভাৰতীয় টেলিভিছন প্ৰণালীটো বিশ্বৰ সৰ্ববৃহৎ সম্প্ৰসাৰণ প্ৰণালীবোৰৰ এটা। ১৯৫৯ চনৰ ছেপ্তেম্বৰ মাহত দিল্লীৰ পৰা দেশৰ প্ৰথমটো পৰীক্ষামূলক টেৰেষ্ট্ৰিয়েল (স্থলভাগৰ ওপৰেদি কৰা) টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ কৰা হৈছিল। অল ইণ্ডিয়া ৰেডিঅ' সেৱাৰ অধীনত সম্প্ৰচাৰ কৰা এই অনুষ্ঠানৰ বাবে এটা অস্থায়ী ষ্টুডিঅ' নিৰ্মাণ আৰু এটা ক্ষুদ্ৰ ট্ৰান্সমিটাৰ ব্যৱহাৰ কৰা হৈছিল।

১৯৬১ চনত দেশৰ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ বিদ্যালয় শিক্ষাক সমৰ্থন কৰিবলৈ দূৰদৰ্শন (ভাৰতীয় চৰকাৰী টেলিভিছন সেৱা) ক ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ পৰীক্ষামূলক বিজ্ঞান, গণিত আৰু ভাষা বিষয়ক শিক্ষণ অনুষ্ঠানবোৰে প্ৰভূত সফলতা লাভ কৰিছিল। UNESCO ৰ বিশেষজ্ঞসকলে এই অনুষ্ঠানবোৰৰ প্ৰশংসা কৰিছিল। দেশত ১৯৬৫ চনৰ ১৫ আগষ্টৰ পৰা নিয়মীয়া টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ আৰম্ভ হৈছিল। ১৯৬৭ চনৰ ২৬ জানুৱাৰীত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে 'কৃষি দৰ্শন' নামৰ খেতিয়কসকলৰ বাবে প্ৰস্তুত কৰা কৃষিভিত্তিক অনুষ্ঠানটোৰ সম্প্ৰচাৰৰ শুভাৰম্ভ কৰিছিল।

১৯৬০ চনৰ দশকৰ মাজভাগৰ পৰা ভাৰতৰ এগৰাকী সৰ্বকালৰ দূৰদৃষ্টিসম্পন্ন প্ৰযুক্তিবিদ তথা ভাৰতীয় মহাকাশ কাৰ্যসূচীৰ প্ৰতিষ্ঠাপক ড° বিক্ৰম চাৰাভায়ে নীতি নিৰ্ধাৰণকাৰী চক্ৰবোৰৰ মাজত এটা ৰাষ্ট্ৰব্যাপ্ত চেটেলাইট টেলিভিছন ব্যৱস্থা গঢ়ি তোলাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ চেষ্টা কৰিছিল। চাৰাভায়ে যুক্তি দৰ্শাইছিল। যে এই চেটেলাইট টেলিভিছন ব্যৱস্থাই দেশৰ অৰ্থনৈতিক তথা সামাজিক উন্নয়নৰ প্ৰচাৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। চাৰাভাইৰ উদ্যমতে ১৯৬৮ চনত এটা 'নেশ্যনেল চেটেলাইট কমিউনিকেশ্যন গ্ৰুপ (NASCOM) গঠন কৰা হৈছিল।

এই গোটটোৰ পৰা পোৱা পৰামৰ্শৰ আধাৰত ভাৰত চৰকাৰে 'হাইব্ৰীড' (সংকৰ) টেলিভিছন সম্প্ৰচাৰ প্ৰণালীৰ ধাৰণাটো দেশৰ বাবে গ্ৰহণ কৰাৰ অনুমতি দিছিল। এই প্ৰণালীটোত সংযোগ স্থাপনকাৰী কৃত্ৰিম উপগ্ৰহৰ লগতে স্থলভাগত স্থাপন কৰা মাইক্ৰ'ৱেভ ৰীলে' ট্ৰান্সমিটাৰ সংলগ্ন কৰা হৈছিল। চাৰাভায়ে পূৰ্বাণুমান কৰিছিল যে চেটেলাইট সেৱাৰ সংযোগে ভাৰতক অত্যাধুনিকসংযোগ প্ৰযুক্তিৰ ব্যৱহাৰত একেকোবে একাধিক ঢাপ আগবাঢ়ি যোৱাত সহায় কৰাৰ লগতে উন্নয়ন প্ৰক্ৰিয়াবোৰ খৰতকীয়া কৰি তুলিব আৰু আন্তঃগাঁথনিৰ অভাৱ ঘটা অৱস্থাবোৰ নিয়ন্ত্ৰণাধীন কৰিব পাৰিব (১৯৭২ চনলৈকে ভাৰতত মাত্ৰ এটা টেলিভিছন ট্ৰান্সমিটাৰ আছিল)।

এই ট্ৰান্সমিটাৰটোৱে দিল্লীৰপৰা সেৱা আগবঢ়াইছিল।)

ভাৰতীয় টেলিভিছনৰ সুস্থিৰ জনপ্ৰিয়তাৰ সমীক্ষা চলোৱাৰ অন্তত দেশত পৰ্যায়ক্ৰমে চেটেলাইট টেলিভিছন সেৱা আৰম্ভ কৰা হৈছিল। ভাৰতৰ বৃহৎ জনসংখ্যাৰ দিশেৰে চেটেলাইট সম্প্ৰচাৰ সম্পূৰ্ণ উপযুক্ত। কাৰণ,চেটেলাইটবোৰৰ পাহাৰ-পৰ্বতৰ দৰে প্ৰাকৃতিক বাধা অতিক্ৰম কৰি টেলিভিছন সংকেত প্ৰেৰণ কৰাৰ সামৰ্থ আছে। চেটেলাইট সংযোগে টেলিভিছন (অথবা টেলিফোন) বাৰ্তা প্ৰেৰণত দূৰত্বই সৃষ্টি কৰা ব্যয় আঁতৰ কৰিছিল। চেটেলাইট চেনেলবোৰৰ প্ৰাথমিক সফলতা যথেষ্ট উৎসাহজনক আছিল। বহুতো বিদেশী অনুষ্ঠান প্ৰযোজক আৰু ভাৰতীয় উদ্যোগীয়ে নিজ নিজ চেটেলাইট চেনেলৰ সেৱা আৰম্ভ কৰিছিল। এই ক্ষেত্ৰখনত জড়িত প্ৰতিভাবোৰৰ কিছুমান আহিছি বোলছবি উদ্যোগৰ পৰা; কিছুমানে ব্যক্তিগত প্ৰচেষ্টাৰে দেশৰ বিজ্ঞাপন ক্ষেত্ৰখনত নিজ পৰিচয় প্ৰতিষ্ঠা কৰিছিল আৰু কিছুমানে সাংবাদিকতাৰ ক্ষেত্ৰখনত সুনাম অৰ্জন কৰিছিল।

১৯৭২ চনৰ পৰা ভাৰতত টেলিভিছন সেৱাৰ প্ৰথমটো গুৰুত্বপূৰ্ণ সম্প্ৰসাৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। সেই চনত বোম্বেত (বৰ্তমান মুম্বাই) দেশৰ দ্বিতীয়টো টেলিভিচন ষ্টেশ্যন মুকলি কৰা হৈছিল। ১৯৭৫ চনলৈ শ্ৰীনগৰ, চেন্নাই, অমৃতসৰ, লক্ষ্ণৌ আৰু ক'লকাতাত টেলিভিছন ষ্টেশ্যনখোলাৰ লগে লগে ভাৰতৰ মুঠ সাতখন চহৰৰ দৰ্শকে টেলিভিছন সেৱা উপভোগ কৰাৰ সুযোগ পাইছিল।

১৯৭৫ চনত ভাৰত চৰকাৰে পৰীক্ষামূলকভাৱে চেটেলাইট ভিত্তিকটেলিভিছন সেৱা আৰম্ভ কৰিছিল। এই পৰীক্ষাৰ লক্ষ্য আছিল দেশৰ আৰ্থ-সামাজিক উন্নয়নত টেলিবিজ্ঞন সেৱা প্ৰয়োগৰ সম্ভাৱনীয়তা নিৰ্ধাৰণ কৰা। এই পৰীক্ষামূলক কাৰ্যসূচীখনৰ নাম আছিল SITE (Satellite Instructional Television Experiment) । ১৯৭৫-৭৬ চনৰ বাবে এই এবছৰীয়া SITE পাইলট প্ৰকল্পটোৰ কাম চলিছিল। প্ৰকল্পটোৱে ছখন ৰাজ্যৰ ২৪০০ গাওঁ সামৰি লৈছিল। প্ৰকল্পটোৱে আন্তঃৰাষ্ট্ৰীয় মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। ই ভাৰতীয় টেলিভিছন সেৱাৰ সম্ভাৱনীয়তাক লৈ সচেতন লোক এচামক টেলিভিছন সম্প্ৰচাৰ নগৰ-চহৰৰ সীমা অতিক্ৰম কৰি দূৰ-দূৰণিলৈ সম্প্ৰসাৰিত কৰাৰ বাবে অনুপ্ৰাণিত কৰিছিল।

আহমেদাবাদ (ISRO) আৰু দিল্লীত থকা ATS-6 চেটেলাইট তথা আপ্-লিংক কেন্দ্ৰ দুটাৰ সহায়ত দৈনিক ৪ ঘণ্টা চেটেলাইট টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ কৰা হৈছিল। ইয়াত বিদ্যালয় শিকন ভিত্তিক অনুষ্ঠানৰ লগতে অন্য অনুষ্ঠানো সম্প্ৰচাৰ কৰা হৈছিল। অনুষ্ঠানবোৰৰ বিষয় আছিল কৃষি, পৰিয়াল পৰিকল্পনা, স্বাস্থ্য আৰু ব্যক্তিগত পৰিচ্ছন্নতা, পৰিকল্পনা আৰু ৰাষ্ট্ৰীয় সংহতি ইত্যাদ। ভাৰতত চেটেলাইট ভিত্তিক টেলিভিছন সেৱাৰ ফলপ্ৰসূতা প্ৰদৰ্শন কৰাত SITE সফল হৈছিল। এই প্ৰকল্পটোৰ পৰা পোৱা শিক্ষা ভাৰত চৰকাৰে ঘৰুৱা কৃত্ৰিম উপগ্ৰহ INSAT ৰ আৰ্হি নিৰ্মাণত ব্যৱহাৰ কৰিছিল। ১৯৮২ চনত INSAT ৰ প্ৰথম উৎক্ষেপন সফলতাৰে সম্পন্ন কৰা হৈছিল।

১৯৭৬ চনৰ প্ৰথম এপ্ৰিলৰ পৰা ভাৰতীয় টেলিভিছন সেৱাক ৰেডিঅ' সেৱাৰ পৰা পৃথক

কৰা হৈছিল। ১৯৮০ ৰ দশকৰ প্ৰথম ভাগতেই ৰাষ্ট্ৰক শিক্ষা আৰু মনোৰঞ্জনৰ সমল যোগানকাৰী ৰূপে দূৰদৰ্শন এক সৰ্বজনবিদিত সেৱাত পৰিণত হৈছিল। SITE হৈ পৰিছিল ভাৰতত উন্নয়নৰ কামত টেলিভিছন সেৱাৰ ফলপ্ৰসূ প্ৰয়োগৰ এক জ্বলন্ত নিদৰ্শন। একেদৰে, ১৯৮২ চনৰ এচিয়াড ক্ৰীড়ই ভাৰতীয় বজাৰত টেলিভিছন চেটৰ চাহিদা অভূতপূৰ্ব হাৰত বৃদ্ধি কৰিছিল। এই সময়ছোৱাত গ্ৰাহকে ৰঙীন টেলিভিছন কিনাৰ বিকল্পও লাভ কৰিছিল।

দূৰদৰ্শনৰ মহা-নিৰ্দেশকগৰাকীক তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে নিযুক্তি দিছিল। ১৯৭৬ চনৰ পৰা দূৰদৰ্শনত বিজ্ঞাপন প্ৰচাৰৰ সুযোগ মুকলি কৰা হৈছিল। ১৯৮২ চনৰ পৰা দূৰদৰ্শনে ভাৰত চৰকাৰৰ অনুমোদনপ্ৰাপ্ত প্ৰচাৰ মাধ্যমৰূপে ৰাষ্ট্ৰীয় পৰ্যায়ত ব্যপ্ত হৈ পৰিল। সেইবছৰতে INSAT 1A ৰ কৃত্ৰিম উপগ্ৰহৰ সহায়ত সম্প্ৰচাৰিত এচিয়ান গে'মছ ভাৰতৰ সকলো প্ৰান্তৰ দৰ্শকে উপভোগ কৰাৰ সুযোগ পাইছিল। তাৰ পাছৰ কেইটামান বছৰৰ ভিতৰত চৰকাৰে আন এটা টেৰেষ্ট্ৰিয়েল চেটেলাইট চেনেল 'ডি ডি মেট্ৰো'ৰ সেৱা আৰম্ভ কৰিলে। এনেকৈয়ে ভাৰতীয় টেলিভিছন সেৱা আগতকৈ অধিক দৰ্শকৰ বাবে উপলব্ধহৈ পৰিল। ১৯৯০ চন আহি পায়হি মানে ভাৰতৰ মুঠ জনসংখ্যাৰ ৯০ শতাংশতকৈও অধিক লোকৰ বাসগৃহবোৰত টেলিভিছন সংকেত সহজে ধৰা পৰা পৰিৱেশৰ সৃষ্টি হ'ল। ১৯৮০ ৰ দশকত ভাৰতীয় টেলিভিছন দৰ্শকে 'মহলোগ', 'মহাভাৰত' আৰু 'ৰামায়ণ'ৰ দৰে ধাৰাবাহিক উপভোগ কৰিছিল। ১৯৯০ ৰ দশকত ভাৰতীয় দৰ্শকে টেলিভিছনৰ পৰ্দাত হিন্দী বোলছবি উদ্যোগৰ আধিপত্য প্ৰত্যক্ষ কৰিছিল।

১৯৯১ চনত CNN নামৰ সংবাদ চেনেলটোৱে সম্প্ৰচাৰ কৰা উপসাগৰীয় যুদ্ধৰ সংবাদক ভাৰতীয় টেলিভিছন যোগে সম্প্ৰচাৰিত কৰাৰ লগে লগে দেশত আন্তঃৰাষ্ট্ৰীয় টেলিভিছন সেৱা আৰম্ভ হ'ল। ইয়াৰ তিনি মাহ পাছতেই হংকঙৰ 'ষ্টাৰ টিভি' নামৰ কোম্পনীটোৱে ভাৰতীয় সম্প্ৰচাৰ বজাৰত ভূমুকি মাৰিলে। ইয়াৰ পাছতেই ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ ভিতৰত আত্মপ্ৰকাশ কৰা বহুকেইটা ভাৰতীয় চেটেলাইট চেনেলেও নিজৰ সেৱা আৰম্ভ কৰিলে। এই চেনেলবোৰ চৰকাৰী নিয়ন্ত্ৰণাধীন নাছিল। দৰ্শকৰ ৰুচি অনুযায়ী এই চেনেলবোৰে বিভিন্ন মনোৰঞ্জমূলক অনুষ্ঠান সম্প্ৰচাৰ কৰিছিল।

১৯৯৫ চনত 'ডি ডি ইণ্টাৰনেশ্যনেল' নামৰ চেনেলটোৰ সেৱা মুকলি কৰা হয়। ই PAS-1 আৰু PAS-4 নামৰ কৃত্ৰিম উপগ্ৰহ দুটাৰ সহায়ত বিশ্বৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা ভাৰতীয় লোকৰ কাষ চপাৰ চেষ্টা চলাইছিল। আন্তঃৰাষ্ট্ৰীয় চেটেলাইট কাৰ্যসূচীয়ে অসীম মনোৰঞ্জন তথা বিশ্বৰ বিভিন্ন স্থানৰ সংবাদ দেশলৈ প্ৰবাহিত হোৱাৰ সুযোগ সৃষ্টি কৰিছিল । ১৯৯৭ চনত দেশৰ সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণৰ অৰ্থে 'প্ৰসাৰ ভাৰতী' নামৰ বিধিসন্মত স্ব-নিয়ন্ত্ৰিত অভিকৰণটো গঠন কৰা হৈছিল।

একবিংশ শতিকাত টেলিভিছন উদ্যোগলৈ বৈপ্লৱিক পৰিৱৰ্তন আহিছে। বৰ্তমান দৰ্শকে শ শ চেনেলৰ মাজৰ পৰা নিজ পচন্দৰ চেনেলবোৰ বাছি ল'ব পাৰে। ডিজিটেল আৰু চেটেলাইট প্ৰযুক্তিৰ অত্যাধুনিক অগ্ৰগতিয়ে দৰ্শকক পৃথিৱীৰ যিকোন প্ৰান্ততে আন এটা প্ৰান্তৰ টিভি অনুষ্ঠান উপভোগ কৰাৰ সুযোগ দিছে। কেবল টি ভি নেটৱ'ৰ্ক আৰু তাৰ পৰৱৰ্তী সময়ৰ 'ডিটিএইছ'

(ডাইৰেক্ট টু হোম) সেৱাই সমগ্ৰ দেশতে বিপুল পৃষ্ঠপোষকতা লাভ কৰিছে। বৰ্তমান সময়ত ডিজিটেল টেৰেষ্ট্ৰিয়েল টেলিভিছন ব্ৰডকাষ্টিং (DTTB) সেৱাই গ্ৰাহকৰ চাহিদা পূৰণ কৰি আছে।

৪.৪ 'ইনচেট'ৰ উৎক্ষেপন

'ইণ্ডিয়ান নেশ্যনেল চেটেলাইট চিষ্টেম' হ'ল বহুমুখী উদ্দেশ্য সম্পন্ন কাৰী এলানি জিঅ'-ষ্টেশ্যনেৰী পদ্ধতিৰ কৃত্ৰিম উপগ্ৰহ। ইয়াৰ জনপ্ৰিয় নামটো হ'ল 'ইনচেট' (INSAT)। 'ইনচেট'ৰ সফল উৎক্ষেপনক ভাৰতৰ সংযোগ তথা সম্প্ৰচাৰ বিপ্লৱৰ এক প্ৰধান সাফল্য বুলি গণ্য কৰা হয়। ভাৰতীয় মহাকাশ বিভাগ, টেলিসংযোগ বিভাগ, ভাৰতীয় বতৰবিজ্ঞান বিভাগ, অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদৰ্শনৰ সন্মিলিত সহযোগত এই কৃত্ৰিম উপগ্ৰহৰ সফল উৎক্ষেপন সম্ভৱ হৈছিল।

১৯৮৩ চনত কাৰ্যাৰম্ভ কৰা INSAT হ'ল সমগ্ৰ এচিয়া-প্ৰশান্ত মহাসাগৰ অঞ্চলৰে সৰ্ববৃহৎ ঘৰুৱা সংযোগ প্ৰণালী। INSAT কৃত্ৰিম উপগ্ৰহ প্ৰণালীটোৰ কাৰ্যাৰম্ভ কৰাৰ আঁৰৰ উদ্দেশ্য আছিল ভাৰতৰ সম্প্ৰচাৰ, টেলিসংযোগ, বতৰবিজ্ঞান আৰু অনুসন্ধান তথা উদ্ধাৰ অভিযানবোৰৰ চাহিদা পূৰণ তথা মান উন্নতকৰণ। INSAT প্ৰণালীটোৰ সামগ্ৰিক সমন্বয় তথা ব্যৱস্থাপনাৰ দিশ দুটা সচিব পৰ্যায়ৰ INSAT সমন্বয়ৰক্ষী সমিতি এখনে চোৱাচিতা কৰে।

INSAT কৃত্ৰিম উপগ্ৰহ লানিৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ INSAT-1A ক ১৯৮২ চনত NASA ৰ সহযোগত কে'প কানেৰ্ভা বায়ুসেনা বাহিনী ষ্টেশ্যনৰ পৰা উৎক্ষেপন কৰা হৈছিল। ফ'ৰ্ড এৰোস্পেছ নামৰ কোম্পানীটোৱে নিৰ্মাণ কৰা এই চেটেলাইটটো ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO) ই নিয়ন্ত্ৰণ কৰিছিল কিছুমান কাৰিকৰী বিজুতিৰ বাবে উৎক্ষেপনৰ ১৮ মাহ পাছত চেটেলাইটটোৰ কাম-কাজ-বন্ধ কৰা হৈছিল। ইয়াৰ ফলত সাত বছৰৰ বাবে নিৰ্ধাৰণ কৰা চেটেলাইটটোৰ সেৱাৰ ম্যাদ আধাতে উকলা বুলি ধৰি ল'বলগীয়া হৈছিল। ১৯৮৩ চনত INSAT-1B ৰ সফল উৎক্ষেপন ঘটোৱা হৈছিল।

INSAT চেটেলাইটবোৰে বিভিন্ন বেণ্ড (C,S,Extended C আৰু Ku) ত ট্ৰেন্সপোণ্ডাৰৰ যোগান ধৰে। এই ট্ৰেন্সপোণ্ডাৰবোৰে দেশৰ টেলিভিছন আৰু সংযোগ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাত সহায় কৰে। INSAT প্ৰণালীত থকা কিছুমান কৃত্ৰিম উপগ্ৰহত অতি উচ্চ ৰিজ'লিউশ্যন সম্পন্ন ৰেডিঅ'মিটাৰ আৰু CCD কেমেৰা সংলগ্ন কৰা আছে। এইবোৰে উচ্চ মানবিশিষ্ট বতৰ বিজ্ঞান বিষয়ক চিত্ৰ গ্ৰহণ কৰিব পাৰে (KALPANA-1 হ'ল এটা বিশেষ বতৰ সম্পৰ্কীয় তথ্য সংগ্ৰহকাৰী কৃত্ৰিম উপগ্ৰহ)। এই চেটেলাইটবোৰে দূৰ্গম অঞ্চলত উদ্ধাৰ অভিযান চলোৱাত যথেষ্ট সহায় কৰে। এই চেটেলাইউবোৰত দক্ষিণ এচীয়া আৰু ভাৰত মহাসাগৰ অঞ্চলত সৃষ্টি হোৱা বিপদৰ সংকেত গ্ৰহণ কৰিব পৰাকৈ উচ্চ ক্ষমতাসম্পন্ন টেন্সপোণ্ডাৰ সংলগ্ন কৰা আছে। এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে ISRO হ'ল অঞ্চলটোৰ অনুসন্ধান আৰু উদ্ধাৰ অভিযান চলোৱা কাৰ্যসূচী 'Cospas-Sarsat' ৰ এক সদস্য সংস্থা।

INSAT প্ৰণালীৰ অধীনত সৰ্বমুঠ ২৪ টা চেটেলাইট উৎক্ষেপন কৰা হৈছে। ইয়াৰে ১১ টা

এতিয়ালৈকে কার্যক্ষম হৈ আছে। দেশত টেলিভিছন সেৱাৰ দ্রুত প্রসাৰ আৰু অত্যাধুনিক টেলিসংযোগ সুবিধা গঢ়ি তোলাত এই চেটেলাইট কেইটাই যথেষ্ট সহায় কৰিছে। ইয়াৰ সহায়ত দূর্গম অঞ্চল আৰু সাগৰ পাৰৰ পৰা বহুদূৰত অৱস্থিত বিচ্ছিন্ন দ্বীপ আদিলৈকো টেলিভিছন সেৱা প্রেৰণ কৰিব পৰা গৈছে। হাছান আৰু ভূপালত অৱস্থিত 'মাষ্টাৰ কণ্ট্রল ফেচিলিটি'ৰ পৰা এই চেটেলাইটবোৰ নিৰীক্ষণ তথা নিয়ন্ত্রণ কৰা হয়।

- বর্তমানেও কার্যক্ষম INSAT শৃংখলাৰ কৃত্রিম উপগ্রহ কেইটামান হ'ল-

(ক) INSAT-2E (১৯৯৯ চন)
(খ) INSAT-3A (২০০৩ চন)
(গ) INSAT-3C (২০০২ চন)
(ঘ) KALPANA-1 (২০০২ চন)
(ঙ) INSAT-3E (২০০৩ চন)
(চ) GSAT-2 (২০০৩ চন)
(ছ) Edusat (২০০৪ চন)
(জ) INSAT-4Series (২০০৫ চন)
(ঝ) INSAT-4B (২০০৭ চন)
(ঞ) INSAT-3D (২০১৩ চন)
(ট) INSAT-4CR (২০০৭ চন)
(ঠ) GSAT-8 (২০১১ চন)
(ড) GSAT-10 (২০১২ চন)
(ঢ) INSAT-3DR (২০১৬ চন)

৪.৫ ১৯৮২ চনৰ পাছৰ অগ্রগতি

১৯৮২ চনৰ পাছত ভাৰতত টেলিভিছন সেৱা সম্প্রসাৰণৰ পৰৱর্তী পর্যায়টো আৰম্ভ হৈছিল। দেশে সেই বছৰ এচিয়ান গে'মছ পতাৰ সুযোগ লাভ কৰিছিল। দূৰদর্শনে এচিয়ান গে'মছৰ ৰঙীন সম্প্রচাৰ আৰম্ভ কৰাৰ প্রস্তুতি চলাইছিল। একেসময়তে INSAT চেটেলাইটৰ উৎক্ষেপনে টেলিভিছন সেৱাক কেইবাঢাপো আগবঢ়াই নিছিল। INSAT ৰ সহায়ত বিভিন্ন কেন্দ্রৰ পৰা সম্প্রচাৰিতঅনুষ্ঠানবোৰ ৰাষ্ট্রীয় পর্যায়ত একেটা সময়তে ৰীলে' কৰিব পৰা সুযোগৰ সূচনাহৈছিল।

চেটেলাইট প্রযুক্তি আৰু মাইক্র'ৱেভ লিংকে'জ ব্যৱহাৰ কৰি এচিয়ান গে'মছৰ লগতে NAM আৰু CHOGM ৰ কার্যক্রমণিকাও সম্প্রচাৰ কৰা হৈছিল। ১৯৮৩ চনত INSAT 1B ৰ সহায়ত দূৰদর্শনে ছখন ৰাজ্যত একে সময়তে অনুষ্ঠান সম্প্রচাৰ সেৱা আৰম্ভ কৰিছিল। প্রথম পর্যায়ত সামৰি লোৱা ৰাজ্য ছখন আছিল-অন্ধ্র প্রদেশ, ওডিসা, মহাৰাষ্ট্র, গুজৰাট, বিহাৰ আৰু উত্তৰ প্রদেশ। 'এচিয়াড'ৰ অনুষ্ঠান সম্প্রচাৰ কৰাৰ পাচত সম্প্রচাৰ নীতিলৈ বহুতো পৰিৱর্তন আহিছিল।

চৰকাৰে উপলব্ধি কৰিছিল যে টেলিভিছন বিজ্ঞাপনৰ বিকাশ ৰাজহ সংগ্ৰহৰ এক বৃহৎ উৎস হ'ব পাৰে। বিজ্ঞাপনৰ উত্থানক ভাৰতীয় টেলিভিছন সেৱাৰ দ্বিতীয়টো তাৎপৰ্যপূৰ্ণ বিকাশ বুলি ধৰা হয়। এই সময়ছোৱাত বিভিন্ন ধৰণৰ মনোৰঞ্জন প্ৰদানকাৰী অনুষ্ঠান প্ৰস্তুত কৰাৰ মাত্ৰা বৃদ্ধি পাইছিল।

১৯৮৪ চনত ভাৰতীয় টেলিভিছনৰ প্ৰথম চ'প অপেৰা 'হমলোগ'ৰ সম্প্ৰচাৰ আৰম্ভ হৈছিল। ধাৰাবাহিক খনে নাৰী কল্যাণ, পৰিয়াল পৰিকল্পনা, ইতিবাচক সামাজিক প্ৰমূল্য সুদৃঢ়কৰণৰ লগতে সামাজিক কুপ্ৰথাবোৰ প্ৰকাশ কৰাৰ চেষ্টা চলাইছিল। ইয়াৰ পাছত সম্প্ৰচাৰিত 'বুনিয়াদ' ধাৰাবাহিকখনেও প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিছিল। ইয়াৰ পাছত বিভিন্ন হাস্যৰসাত্মক অনুষ্ঠানৰ শৃংখলা আৰু ধাৰাবাহিকৰ সম্প্ৰচাৰ আৰম্ভ কৰিছিল। ধাৰাবাহিকৰ ৰূপত 'ৰামায়ণ' আৰু 'মহাভাৰত'-এ সমগ্ৰ দেশতে অগণন গুণমুগ্ধৰ সৃষ্টি কৰিছিল। পৰৱৰ্তী সময়ত 'ডি ডি মেট্ৰো' চেনেলৰ কামকাজ আৰম্ভ হৈছিল। দূৰদৰ্শনে তাৰপাছত ইয়াৰটেলিটেক্সট্ সেৱা আৰম্ভ কৰিছিল।

১৯৯৭ চনত 'প্ৰসাৰ ভাৰতী' নামৰ বিধিসম্মত স্বনিয়ন্ত্ৰিত অভিকৰণটো গঠন কৰা হৈছিল। দূৰদৰ্শন আৰু অল ইণ্ডিয়া ৰেডিঅ'ক প্ৰসাৰ ভাৰতীৰ অধীনস্থ চৰকাৰী নিগমতপৰিণত কৰা হৈছিল। প্ৰসাৰ ভাৰতী নিগমৰ উদ্দেশ্য আছিল দেশৰ ৰাজহুৱা সেৱা সম্প্ৰচাৰক হিচাপে সেৱা আগবঢ়োৱা । প্ৰসাৰ ভাৰতীক ৰেডিঅ' আৰু দূৰদৰ্শনে এই উদ্দেশ্যত সফল হোৱাত সহায় কৰি আহিছে। প্ৰসাৰ ভাৰতী গঠন হ'ল দূৰদৰ্শন আৰু আকাশবাণীৰ বৃহত্তৰ স্ব-নিয়ন্ত্ৰণৰ দিশত লোৱা এক গুৰুত্বপূৰ্ণ ব্যৱস্থা অৱশ্যে প্ৰসাৰ ভাৰতীয়ে দূৰদৰ্শনক চৰকাৰী নিয়ন্ত্ৰণৰ কবলৰ পৰা আঁতৰাই ৰখাত সপলতা লাভ কৰিব পৰা নাই।

৪.৬ ৰঙীন টেলিভিছনৰ আত্মপ্ৰকাশ

১৯৮২ চনত ভাৰতে এচিয়ান গে'মছৰ অনুষ্ঠান সম্প্ৰচাৰ কৰাৰ যো-জা চলাই থকাৰ সময়ত এক ধৰণৰ অনিশ্চয়তাবোধে গা কৰি উঠিছিল। মানুহে ভাবিছিল ভাৰতে সৰু পৰ্দাৰ ক'লা-বগা যুগৰ অৱসান ঘটাব পাৰিবনে! কেবিনেটে লোৱা এটা সিদ্ধান্তই এই অনিশ্চয়তা আঁতৰ কৰিছিল আৰু দৰ্শকে টেলিবিছনৰ পৰ্দাত এচিয়ান গে'মছৰ ৰঙীন কাৰ্যসূচী উপভোগ কৰাৰ সুযোগ পাইছিল। ১৯৮২ চনৰ পৰাই দূৰদৰ্শনে ৰভীন অনুষ্ঠান সম্প্ৰচাৰ সেৱা আৰম্ভ কৰিছিল। টেৰেষ্ট্ৰিয়েল সম্প্ৰচাৰৰ বাবে দ্ৰুত গতিত ভাৰতৰ বিভিন্ন অঞ্চলত ট্ৰেন্সমিটাৰ বহুওৱাৰ কাম আৰম্ভ হৈছিল। এইখিনিতে মনত ৰখা ভাল যে এই সময়ছোৱাতকোনো ব্যক্তিগত উদ্যোগকে টিভি কেন্দ্ৰ স্থাপন আৰু টিভি সংকেত বিয়পোৱাৰ অনুমতি দিয়া হোৱা নাছিল।

আৰম্ভণিতে ৰঙীন টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰৰ বাবে অস্থায়ী অনুজ্ঞা প্ৰদান কৰা হৈছিল। ১৯৮২ চনৰ নৱেম্বৰ মাহৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে ৫০,০০০ টা ৰঙীন টেলিভিছন চেট আমদানিৰ অনুমতি দিছিল। ইয়াৰ পাছতো আগ্ৰহী পৰিয়ালবোৰ্দেৰ এনেদৰে আমদানি কৰা ৰঙীন টেলিভিছন চেট কিনি থকাৰ ফলত চৰকাৰে যথেষ্ট পৰিমাণে বাণিজ্য শুল্ক সংগ্ৰহ কৰিছিল।

তদানীন্তন তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী বসন্ত চাথেই এনেদৰে ৰঙীন টেলিভিছন চেট আমদানি

কৰাৰ সিদ্ধান্ত লোৱাৰ লগে লগে দেশৰ টেলিভিছন বজাৰখনলৈ অভূতপূৰ্ব পাৰিৱৰ্তন আহিছিল। এই কথাই দূৰদৰ্শনৰ নেটৱৰ্ক গঢ়া প্ৰক্ৰিয়াটো দ্ৰুতকৰি তুলিছিল। ১৯৮২ চনত দেশত টেলিবিছন ট্ৰেন্সমিটাৰৰ সংখ্যা ৩৫ টাৰ পৰা ১০০ টা হৈছিলগৈ। ১৯৯০ চন আহি পায়হি মানে এই সংখ্যাই ৪০০ ৰ ঘৰ অতিক্ৰম কৰোঁ কৰোঁ হৈছিল।

৪.৭ বৈদ্যুতিক মাধ্যমৰ স্বনিয়ন্ত্ৰণ

প্ৰতিটো গণমাধ্যমৰে সবাতোকৈ গুৰুত্বপূৰ্ণ কৰণীয়টো হ'ল তথ্য অৱগত কৰোৱাবলৈ নাইবা মনোৰঞ্জন প্ৰদান কৰিবলৈ জন সাধাৰণৰ কাষ চপা। শেহতীয়া বছৰবোৰত বৈদ্যুতিক মাধ্যমে ছপা অথবা পৰম্পৰাগত মাধ্যমতকৈ অধিক স্বনিয়ন্ত্ৰণৰ সুযোগ লাভ কৰাটো পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণ হ'ল বৈদ্যুতিক মাধ্যম অতি কম সময়ৰ ভিতৰতে বৃহৎসংখ্যক জনসাধাৰণৰ কাষ চাপিবলৈ সক্ষম। ইয়াৰ উপৰি বৈদ্যুতিক মাধ্যমে ব্যৱহাৰকাৰীক গভীৰভাৱে প্ৰভাৱিত কৰাৰ সম্ভাৱনাও বহন কৰে।

বৈদ্যুতিক মাধ্যমে সাক্ষৰ-নিৰক্ষৰ, ধনী-দুখীয়া অভিজাত সাধাৰণ সকলো শ্ৰেণীৰ দৰ্শকৰে চাহিদা পূৰণ কৰে। ই দৰ্শকক বাছি ল'ব পৰাকৈ পৰ্যাপ্ত বিকল্পও আগবঢ়ায় ।ইয়াৰ সাধাৰণ লোকক মনোৰঞ্জন প্ৰদান কৰিব পৰা সামৰ্থৰ লগতে বিশেষভাৱে সক্ষম নাইবা দিব্যাংগ লোকসকলৰ মনোৰঞ্জনৰ চাহিদা পূৰাব পৰা বৈশিষ্ট্যও আছে। এগৰাকী কাণেৰে নুশুনা ব্যক্তিয়ে এনে মাধ্যমৰ সহায়ত বিভিন্ন অনুষ্ঠান চাব পাৰে। আনহাতে, এগৰাকী দৃষ্টিশক্তিহীন ব্যক্তিয়ে এনে মাধ্যমৰ দ্বাৰা সম্প্ৰচাৰিত অনুষ্ঠানবোৰ শুনিব পাৰে। বৈদ্যুতিক মাধ্যমে মানুহৰ সৰ্বোৎকৃষ্ট সৃজনশীলতা প্ৰকাশ হোৱাত সহায় কৰাৰ লগতে কৰ্মসংস্থাপনৰ অধিক সুযোগ সৃষ্টি কৰে। ই দৰ্শকৰ ভিন্ন ৰুচিৰ চাহিদা অনায়াসে পূৰণ কৰিব পাৰে।

৪.৮ চন্দা সমিতিৰ প্ৰতিবেদন

ইন্দিৰা গান্ধী তথ্য আৰু সম্প্ৰচাৰ বিভাগৰকেন্দ্ৰীয় মন্ত্ৰী হৈ থকাৰ সময়ত ১৯৬৪ চনত এ.কে.চন্দাৰ নেতৃত্বত এখন সমিতি গঠন কৰা হৈছিল। সমিতিয়ে ১৯৬৬ চনত ইয়াৰ প্ৰতিবেদন দাখিল কৰিছিল। কিন্তু এই প্ৰতিবেদন ১৯৭০ চনতহে সংসদত উপস্থাপন কৰা হৈছিল। সমিতিয়ে ৰেডিঅ' আৰু টেলিভিছন সেৰাক কঠোৰ চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰি পৃথক পৃথক নিগমলৈ সলনি কৰাৰ পৰামৰ্শ দিছিল।

প্ৰতিবেদনখনত কোৱা হৈছিল ঃ ভাৰতীয় প্ৰেক্ষাপটত সম্প্ৰচাৰৰ দৰে এটা সৃজনশীল মাধ্যমৰ বিভাগীয় নীতি-নিয়মৰ সীমাৱদ্ধতাৰ মাজত বিকাশ ঘটাটো অসম্ভৱ। কেৱল এটা আনুষ্ঠানিক পৰিৱৰ্তনৰ দ্বাৰাহে অল ইণ্ডিয়া ৰেডিঅ'ক বৰ্তমান চলি থকা কঠোৰ চৰকাৰী আৰু প্ৰশাসনিক নীতি-নিয়মবোৰৰ পৰা মুক্ত কৰিব পৰা যাব। সমিতিৰ ফালৰ পৰা এই পৰামৰ্শ দিয়া হ'ল যে আকাশবাণী আৰু দূৰদৰ্শনৰ বাবে গঠন কৰা পৃথক নিগমবোৰক কৰ্মচাৰী নিয়োগৰ নিজস্ব

পদ্ধতি বাহিৰ কৰাৰ স্বতন্ত্ৰতা দিয়া হওক, নিজ প্ৰয়োজন অনুসৰি দৰমহাৰ নিৰিখ আৰু চাকৰিৰ চৰ্ত নিৰূপণ কৰিবলৈ দিয়া হওক, নিজস্ব সৃজনাত্মক কাৰ্যকলাপৰ অনুকূল একোটা বিত্তীয় তথা গাণনিক পদ্ধতি বিকশা িতোলাৰ সুযোগ দিয়া হওক।

এই পৰামৰ্শৰ ছবছৰৰ পাছতহে দূৰদৰ্শনক আকাশবাণীৰ পৰা পৃথক কৰা হৈছিল। ১৯৭৬ চনৰ প্ৰথম এপ্ৰিলৰ পৰা দূৰদৰ্শনে নিজাববীয়াকৈ সম্প্ৰচাৰ আৰম্ভ কৰিছিল। দুয়োটা সেৱাৰ বাবে পৃথক প্ৰশাসনিক তথা বিত্তীয় বিভাগ আৰু নীতি-নিয়ম স্থিৰ কৰা হৈছিল যদিও আভিযান্ত্ৰিক তথা অনুষ্ঠান প্ৰযোজনা বিভাগ দুটাৰ কৰ্মচাৰীসকলে উমৈহতীয়া বাৰে দুয়োটা সেৱাৰে কাম-কাজ চলাই নিছিল।

৪.৯ ভাৰ্গিছ সমিতিৰ কৰ্ণধাৰ গোটৰ প্ৰতিবেদন

ভাৰতৰ জৰুৰী অৱস্থা শাম কটাৰ পাছত ক্ষমতালৈ অহা জনতা চৰকাৰে ১৯৭৭ চনৰ আগষ্ট মাহত আকাশবাণী আৰু দূৰদৰ্শনৰ স্বনিয়ন্ত্ৰণৰ বিষয়টো চালি-জাৰি চাবলৈ এটা কৰ্ণধাৰ গোট গঠন কৰি দিছিল। বি. জি. ভাৰ্গিছ নেতৃত্বাধীন এই গোটটোৱে ১৯৭৮ চনৰ ২৪ ফেব্ৰুৱাৰীত ইয়াৰ দিহা-পৰামৰ্শসমূহ চৰকাৰৰ হাতত দাখিল কৰিছিল। ভাৰ্গিছ সমিতিৰ মুখ্য পৰামৰ্শ আছিল অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদৰ্শনৰ বাবে 'আকাশ ভাৰতী' নাইবা ৰাষ্ট্ৰীয় সম্প্ৰচাৰ ন্যাস গঠন কৰা। চৰকাৰে এই পৰামৰ্শ মানি নল'লে।

ভাৰ্গিছ সমিতিৰ প্ৰতিবেদনত থকা পৰামৰ্শ কেইটামান হ'ল-

১। এক স্বনিয়ন্ত্ৰিত ৰাষ্ট্ৰীয় ন্যাস গঠন কৰা উচিত। আকাশবাণী আৰু দূৰদৰ্শনে এই ন্যাসৰ অধীনত কাম কৰিব।

২। ৰেডিঅ' আৰু টেলিভিছনে দেশৰ ৰাজহুৱা উদ্দেশ্য সাধনৰ বাবেকাম কৰিব।

৩। প্ৰস্তাৱিক স্বনিয়ন্ত্ৰিত সম্প্ৰচাৰ ন্যাস কৰ্তৃপক্ষটোৰ প্ৰকৃত গৰাকী হ'ব ৰাষ্ট্ৰ আৰু এই কৰ্তৃপক্ষটো সংসদৰ ওচৰত দায়ৱদ্ধ হৈ ৰ'ব।

৪। সম্প্ৰচাৰৰ অগ্ৰাধিকাৰ সলনি কৰি ইয়াক 'নগৰীয় অভিজান শ্ৰেণীটোৰ পৰা গ্ৰাম্য, অৰ্ধ নগৰীয় এলেকা আৰু নগৰ অঞ্চলৰ দুখীয়া শ্ৰেণী' অভিমুখী কৰি তুলিব লাগিব।

৫। সম্প্ৰচাৰ কৰ্তৃপক্ষৰ বিকেন্দ্ৰীকৰণ ঘটাব লাগিব।

৬। সংবিধানে সম্প্ৰচাৰ কৰ্তৃপক্ষৰ স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ তথা চৰকাৰী নিয়ন্ত্ৰণৰ পৰা স্বতন্ত্ৰতাক নিশ্চিতি প্ৰদান কৰিব লাগিব।

ভাৰ্গিছ সমিতিৰ প্ৰতিবেদনখন দুয়োখন সংসদতে উত্থাপন কৰা হৈছিল। সেইমৰ্মে ১৯৭৯ চনৰ ১৬ মে'ত তদানীন্তত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী এল.কে. আদৱানিয়ে এখন বিধেয়ক দাখিল কৰিছিল। বিধেয়কখনত অল ইণ্ডিয়া ৰেডিঅ' আৰু টেলিভিছন সেৱাৰ বাবে 'প্ৰসাৰ ভাৰতী' নামৰ এক স্বনিয়ন্ত্ৰিত নিগম গঠনৰ প্ৰস্তাৱ কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত বিধেয়কখনে প্ৰস্তাৱিত নিগমটোৰ ভাৰ্গিছ সমিতিৰ পৰামৰ্শ অনুযায়ী সৃষ্টি কৰিব খোজা মৌলিক গাঁথনিটোৰ সাল-সলনি

ঘটাইছিল আৰু প্রস্তাৱিত কর্তৃপক্ষটোক সাংবিধানিক সুৰক্ষা প্রদানৰ পৰামর্শ অগ্রাহ্য কৰিছিল। কিন্তু সেইবাৰৰ লোকসভা সময়তকৈ আগতেই ভংগ কৰিবলগীয়া হোৱাত বিধেয়কখনৰ অস্তিত্ব লোপ পাইছিল।

বি.জি. ভার্গিছে প্রতিবেদনত আগবঢ়োৱা পৰামর্শবোৰ সম্পর্কে কৈছিল, "মানুহে আকাশবাণী আৰু দূৰদর্শনৰ বাবে স্বতন্ত্র নিগম বিচৰাৰ কাৰণ হ'ল দেশৰ জৰুৰী অৱস্থাৰ সময়ত সংসদৰ সদস্যসকলৰ হাতত পণবন্দী হৈ পৰা দেশৰ কার্যপালিকাই নির্লজ্জভাৱে সম্প্রচাৰ সেৱাৰ অপপ্রয়োগ কৰিছিল। এনে কার্য ভৱিষ্যতৰ সকলো সময়ৰ বাবে ৰোধ কৰাটো প্রয়োজনীয়। গণতন্ত্র কেৱল সংসদ নাইবা ন্যায়পালিকাৰ দৰে মাত্র এটা অনুষ্ঠানক নির্ভৰ কৰি বর্তি নাথাকে। সেই অনুষ্ঠানটো যিমানেই গুৰুত্বপূর্ণ নহওক কিয়। গণতন্ত্র হ'ল বহুতো সংগঠনৰ একত্রিত ৰূপ। এটা মুক্ত,দায়িত্বশীল তথা সৃজনাত্মক সম্প্রচাৰ প্রণালী হ'ল এনে সংগঠনবোৰৰ মাজৰ সবাতোকৈ তাৎপর্যপূর্ণ সংগঠন।

ভাৰত চৰকাৰে ১৯৯০ চনৰ ছেপ্টেম্বৰ মাহত প্রসাৰ ভাৰতী (ভাৰতীয় সম্প্রচাৰ নিগম) আইন, ১৯৯০ চন গৃহীত কৰে।

৪.১০ যোশী সমিতিৰ প্রতিবেদন

১৯৭৯ চনত পুনৰ দেশৰ শাসন ক্ষমতা নিজৰ হাতলৈ নিয়া কংগ্রেছ দলে অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদর্শনক গণমাধ্যম বুলি বিবেচনা কৰা নাছিল। সেয়েহে এই চৰকাৰখনে সেৱা দুটাক ৰাইজৰ কাম কৰাৰ মৌলিক উদ্দেশ্য সফল কৰি তুলিব পৰাকৈ সক্ষম কৰি তোলাৰ প্রয়োজনীয়তাকো আওকাণ কৰিছিল।

১৯৮২ চনত চৰকাৰে দূৰদর্শনৰ বাবে এটা চফ্‌ট'ৱেৰ পৰিকল্পনা প্রস্তুত কৰাৰ বাবে ড° পি.চি. যোশীৰ অধ্যক্ষতাত এটা কর্ণধাৰ গোট গঠন কৰিছিল। এই গোটটোৱে ১৯৮৪ চনত ইয়াৰ প্রতিবেদন দাখিল কৰিছিল। প্রতিবেদনত দূৰদর্শনত সেই সময়ত প্রচলিত কার্য সম্পাদন বিষয়ক স্বাধীনতাৰ অভাৱৰ দিশটো স্পষ্টকৈ উল্লেখ কৰা হৈছিল। প্রতিবেদনখনে তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ক ৰে'লৱে' বোর্ডৰ আর্হিত পুনৰ সংগঠিত কৰাৰ পৰামর্শ দিয়া হৈছিল। পৰামর্শত কেৱল বৃত্তিজীৱী অভিজ্ঞতাৰে পুষ্ট ব্যক্তিকহে তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ত নিযুক্তি দিয়াৰ কথা কোৱা হৈছিল।

যোশী সমিতিয়ে আগবঢ়োৱা পৰামর্শসমূহৰ ভিতৰত উল্লেখযোগ্য পৰামর্শটো হ'ল-

- তলত উল্লেখ কৰা কাম তিনিটা সম্পন্ন কৰিব পৰা এখন ৰাষ্ট্রীয় দূৰদর্শন পৰিষদ গঠন কৰা। কামকেইটা হ'ল-

১। সংগঠনটোৰ পাৰদর্শিতা পুনৰীক্ষণ কৰা আৰু প্রয়োজনীয় দিক্ নির্দেশনা আগবঢ়োৱা

২। দূৰদর্শনৰ কার্য সম্পাদন তথা বৃত্তিমূলক স্বনিয়ন্ত্রণৰ ক্ষেত্রত এক অভিভাৱকৰ ভূমিকা পালন কৰা।

৩। সংবাদ প্রতিবেদন আৰু সাময়িক প্রসংগ বিষয়ক মতামতবোৰক লৈ উত্থাপিত ভুল তথ্য

পৰিৱেশনৰ অভিযোগবোৰ পৰীক্ষা কৰাত ভাৰতীয় প্ৰেছ কাউন্সিলৰ এক সহযোগী সংস্থাৰূপে কাম কৰা।

প্ৰতিবেদনত এই কথা জোৰ দি কোৱা হৈছিল যে ভাৰতৰ দৰে এখন উন্নয়নশীল দেশত জাতীয় সাংস্কৃতিক পৰিচয়ৰ খহনীয়াই বিপদ কঢ়িয়াই অনাৰ সম্ভাৱনা প্ৰবল। সেয়েহে দেশক বাহিৰৰ পৰা চলিব পৰা সাংস্কৃতিক আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ প্ৰয়োজনীয়তা আছে। ইয়াৰ বাবে এক ইতিবাচক চফ্‌টৱেৰ পৰিকল্পনাৰ প্ৰয়োজন। সেয়েহে প্ৰতিবেদনখনত টেলিভিছনৰ 'উন্নয়ন সম্ভাৱনীয়তাক' কামত খটুওৱাৰ গোহাৰি জনোৱা হৈছিল। বিকাশ আৰু উন্নয়নৰ পথেৰে ক্ষিপ্ৰ গতিত অগ্ৰসৰ হ'ব পৰাকৈ সংযোগ প্ৰযন্ধক্তিৰ ব্যৱহাৰত প্ৰতিবেদনৰ জৰিয়তে গুৰুত্ব আৰোপ কৰা হৈছিল। প্ৰতিবেদনখনত জৱাহৰলাল নেহৰু আৰু বিক্ৰম চাৰাভায়ে উল্লেখ কৰি যোৱা সংযোগ বিপ্লৱৰক সাধাৰণভাৱে উল্লেখ কৰি দৰিদ্ৰতা তথা নিৰক্ষৰতা আঁতৰোৱাৰ এক প্ৰধান অস্ত্ৰৰূপে টেলিভিছনৰ ভূমিকাৰ কথা বিশেষভাৱে আলোচনা কৰা হৈছিল।

১৯৮৫ চনত 'সংযোগ আৰু ৰাষ্ট্ৰ নিৰ্মাণঃ দৃষ্টিভংগী আৰু নীতি' শীৰ্ষক চৰ্দাৰ পটেল স্মৰক বক্তৃতাত ড° যোশীয়ে কৈছিল, "বৈজ্ঞানিক আৰু সংবাদ মাধ্যমৰ সৈতে জড়িত ব্যক্তিৰ যুটীয়া প্ৰচেষ্টাত দেশৰ বাবে উপযুক্ত প্ৰাসংগিক চফ্‌টৱেৰৰ বিকাশ ঘটাব পৰা যায়। ইয়াৰ দ্বাৰা সাধাৰণ লোকক বৈজ্ঞানিকযুগৰ বিশ্বজনীন দৃষ্টিভংগীৰ সৈতে পৰিচয় কৰাই দিব পৰা যাব। ইয়াৰ সুফলবোৰে মানুহৰ জীৱনৰ পূৰাতন আৰু আধুনিক সমস্যাবোৰ সমাধান সহায় কৰিব। ইয়াৰ সমানেই গুৰুত্বপূৰ্ণ আন এটা কাম হ'ল উন্নত দেশবোৰৰ পৰা বিজ্ঞানভিত্তিক শিক্ষা বিষয়ক তথ্যসমৃদ্ধ চফ্‌টৱেৰ আনি ইয়াক আমাৰ দেশৰ প্ৰয়োজন অনুসৰি খাপ খুৱাই লোৱা।"

৪.১১ ডিজিটেল টেৰেষ্ট্ৰিয়েল টেলিভিছন ব্ৰডকাষ্টিং (DTTB)

ডিজিটেল টেৰেষ্ট্ৰিয়েল টেলিভিছন (DTTV নাইবা DTT)টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰৰ ক্ষেত্ৰখনত সূচনা হোৱা এটা প্ৰযুক্তিগত ক্ৰমবিকাশ বুলি গণ্য কৰা হয়। (DTTB) হ'ল সম্প্ৰচাৰৰ এক শেহতীয়া শৈলী। ই দৰ্শকক পৰম্পৰাগত এনাল'গ টিভি সংকেততকৈ বহুগুণে উচ্চ দৃশ্য আৰু শ্ৰব্য সংকেত গ্ৰহণৰ সুবিধা আগবঢ়ায়। এনে সংকেত কোনো ছায়া প্ৰতিকৃতি (ghost images) অথবা বাহ্যিক ধ্বনিৰ দ্বাৰা ব্যাহত নহয়।

DTTV সম্প্ৰচাৰ হ'ল স্থলভাগেদি (Terrestrial) প্ৰেৰণ কৰা সংকেত। কেবল, চেটেলাইট আৰু সকলো টেলিসংযোগ মঞ্চতে ইয়াৰ সুবিধা ডিজিটেল বনাম এনাল'গ সংকেতৰ সদৃশ। এই শৈলীত স্পেকট্ৰামৰ অধিক ফলপ্ৰসূ প্ৰয়োগ ঘটে। ইয়াৰ সহায়ত উন্নততৰ মানৰ ছবি আদি ধৰা পেলাব পাৰি আৰু ইয়াৰ সম্প্ৰচাৰ তথা ট্ৰেন্সমিছন ব্যয়ো যথেষ্ট কম (প্ৰাৰম্ভিক শেহতীয়াকৰণ ব্যয়খিনি বাদ দি) । ডিজিটেল টেলিভিছন (DTV) প্ৰযুক্তিৰ টেৰেষ্ট্ৰিয়েল প্ৰয়োগৰ সময়ত এণ্টেনালৈ সংকেত প্ৰেৰণ কৰিবলৈ চেটেলাইট ডিছ নাইবা কেবল টেলিভিছন সংযোগৰ পৰিৱৰ্তে এৰিয়েল সংযোগ স্থাপন কৰা হয়। (DDTV) সংকেতবোৰ মাল্টিপ্লেক্স ট্ৰেন্সমিটাৰ ব্যৱহাৰ কৰি টেৰেষ্ট্ৰিয়েল

স্থানৰ মাধ্যমেৰে ৰেডিঅ' ফ্রিকুৱেন্সী হিচাপে প্রেৰণ কৰা হয়। ইয়াৰ সহায়ত 'চাব চেনেল' বুলি জনাজাত এটা একক ফ্রিকুৱেন্সী শৃংখলাত একাধিক চেনেলৰ সংকেত গ্রহণ কৰিব পৰা যায়। এডাল সাধাৰণ টেলিভিছন এণ্টেনাত ধৰা পৰা এই সংকেতবোৰৰ চেটটপ বক্স (STB) আৰু টিভি গে'টৱে'জ (শেহতীয়া আৰ্হিৰ টিভি চেটবোৰকে ধৰি অন্য আহিলা)বোৰে পাঠোদ্ধাৰ কৰে। কিছুমান গে'টৱে'জত ডিজিটেল ভিডিঅ' ৰেক'ৰ্ডাৰ (DVR) ৰ সুবিধাও থাকে।

- **DTTV সম্প্রচাৰৰবৈশিষ্ট্য সমূহ ঃ**

ডিজিটেল টেৰেষ্ট্রিয়েল টেলিভিছন সম্প্রচাৰৰ জৰিয়তে এটা চেনেলক ২-৩ টা অনুষ্ঠান একে সময়তে সম্প্রচাৰ কৰিব পৰাকৈ খণ্ডিত কৰি লোৱা হয়। ইয়াৰ সহয়ত এটা একক ডিজিটেল হাই-ভিজন চেনেলত একাধিকঅনুষ্ঠান সম্প্রচাৰ কৰিব পৰা যায়। যেনে- ধৰক, এখন খেলৰ পোনপটীয়া প্রচাৰে যদি নির্ধাৰিত সময় পাৰ কৰে, তেন্তে আপুনি আপোনাৰ প্রিয় ধাৰাবাহিক খন 'মেইন ষ্ট্রীম'ত সচৰাচৰ চোৱা সময়তে চাব পাৰিব আৰু খেলখনৰ বাকী ৰোৱা অংশ একেটা চেনেলৰে অন্য ষ্ট্রীমত পাছত কোনোবা এটা সময়ত চাব পাৰিব।

এই ব্যৱস্থাটো অন্যধৰণে সক্ষম আৰু বয়সস্থ লোকৰ ব্যৱহাৰ অনুকূল। ইয়াত অনুষ্ঠান এটাৰ 'চাবটাইটেল' (সংলাপ, বিৱৰণী আদিৰ হুবহু অর্থ বুজোৱা লিখিত বাক্য প্রদর্শন) যুক্ত সম্প্রচাৰ কৰা হয়। কিছুমান নতুন ডিজিটেল টিভিত ধ্বনিৰ গতি খাপ খুৱাই ল'ব পৰা সুবিধা সংলগ্ন কৰা হৈছে। ই ঘোষক-ঘোষিকাৰ কণ্ঠৰ গতিবেগ মন্থৰ কৰি কথাবোৰ ভালদৰে বুজাত সহায় কৰে। বয়সস্থ লোকৰ বাবে এই সুবিধাটো যথেষ্ট উপযোগী।

টেৰেষ্ট্রিয়েল ডিজিটেল সম্প্রচাৰ মোবাইলফোনতো চাব পাৰি। ইয়াৰ জনপ্রিয় নামটো হ'ল মোবাইল টিভি। মোবাইল ফোন, লেপটপ, ডেস্কটপ অথবা যান-বাহনত থকা টিভি আদিৰ এনে সম্প্রচাৰৰ স্পষ্ট সংকেত ধৰা পৰে। এনেদৰে আপুনি দিনটোৰ যিকোনো সময়তে বতৰৰ তথ্যও পৰীক্ষা কৰি চাব পাৰে। এনে সম্প্রচাৰৰ দ্বাৰা গ্রহণ কৰা ধ্বনিবোৰে উচ্চমান বিশিষ্ট। এনাল'গ প্রযুক্তিত দর্শকৰ কাষ পোৱাৰ আগতে বাহ্যিক ধ্বনিবোৰে দৃশ্য আৰু শ্রব্য দুয়োধৰণৰ সংকেতৰ অৱনতি ঘটায়। সুউচ্চ অট্টালিকাবোৰৰ ছাঁ পৰাৰ ফলত মূল প্রতিকৃতিৰ সংকেতৰ সৈতে অন্য ছায়া প্রতিকৃতিও ধৰা পৰে। ডিজিটেল টিভি সম্প্রচাৰত ধ্বনি আৰু প্রতিচ্ছবি দুয়োটাইকোনো বাহ্যিক অসুবিধা নোপোৱাকৈ শুনিব আৰু চাব পাৰি।

এই প্রযুক্তিবিধে দর্শকক 'বৈদ্যুতিক অনুষ্ঠান সূচী' (EPG) পৰীক্ষা কৰি চোৱাৰ সুযোগ দিয়ে। ইয়াৰ সহায়ত দর্শকে এসপ্তাহৰ কার্যসূচী বিষয়ক তথ্য কেৱল ৰিমোট কণ্ট্রলৰ বুটাম টিপিয়েই আগতীয়াকৈ জানি থব পাৰে। ইয়াত মনপচন্দৰ অনুষ্ঠান চাব পৰাকৈ আগতেই 'টাইমাৰ' সক্রিয় কৰি ৰখাৰ সুবিধাও আছে।

ডিজিটেল টেৰেষ্ট্রিয়েল টেলিভিছন ব্রডকাষ্টিং সেৱাত আন্তঃক্রিয়াশীল টেলিভিছন সুবিধাও থাকে। অনলাইন সংযোগ স্থাপনৰ জৰিয়তে দর্শকে পোনপটীয়া অনুষ্ঠান নাইবা বিভিন্ন খেল-ধেমালিৰ অনুষ্ঠানলৈ ফোন কৰি এনে অনুষ্ঠানত ভাগ ল'ব পাৰে।

- **ভাৰতত DTTV সম্প্ৰচাৰঃ**

ভাৰতত ১৯৯৯ চনৰ জুলাই মাহত ডিজিটেল টেলিভিছনৰ DVB-T সম্প্ৰচাৰ ব্যৱস্থাটো গ্ৰহণ কৰা হৈছিল। দূৰদৰ্শনে ২০০৩ চনৰ ২৬ জানুৱাৰীত দেশৰ মহানগৰ চাৰিখনত প্ৰথম DVB-T সম্প্ৰচাৰ আৰম্ভ কৰিছিল। বৰ্তমান দেশত ডিজিটেল আৰু এনাল'গ দুয়োটা পদ্ধতিৰে টেৰেষ্ট্ৰিয়েল সংকেত প্ৰেৰণৰ ব্যৱস্থা চলাই ৰখা হৈছে। দেশৰ মহানগৰ চাৰিখনত চাৰিটা উচ্চ ক্ষমতাসম্পন্ন DVB-T ট্ৰেন্সমিটাৰ বহুওৱা হৈছিল। পৰৱৰ্তী সময়ত এই ট্ৰেন্সমিটাৰ কেইটা DVB-T2 +MPEG4 আৰু DVB-H মানলৈ উন্নীত কৰা হৈছিল। ২০১৭ চনৰ ভিতৰ দেশৰ টিয়েৰ I,II আৰু III শ্ৰেণীৰ অন্তৰ্ভুক্ত নগৰ-চহৰবোৰত অতিৰিক্ত ১৯০ টা উচ্চ ক্ষমতাসম্পন্ন আৰু ৪০০টা নিম্ন ক্ষমতাসম্পন্ন DVB-T2 ট্ৰেন্সমিটাৰ বহুওৱাৰ অনুমোদন জনোৱা হৈছিল। ভাৰতীয় টেলিসংযোগ নিয়ামক কৰ্তৃপক্ষ TRAI এ তথ্য তথা সম্প্ৰচাৰ মন্ত্ৰালয়ক DTT প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ ব্যক্তিগত সম্প্ৰচাৰ কোম্পানীবোৰক অনুমতি প্ৰদানৰ পৰামৰ্শ আগবঢ়াইছে। ভাৰতৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ব্যক্তিগত খণ্ডৰ সম্প্ৰচাৰক কোম্পানীবোৰক কেৱল চেটেলাইট, কেবল আৰু IPTV ভিত্তিক প্ৰণালীবোৰ ব্যৱহাৰ কৰাৰহে অনুমতি দিয়ে। ভাৰতীয় সম্প্ৰচাৰ সংস্থা দূৰদৰ্শনে ২০১৬ চনৰ ২৫ ফেব্ৰুৱাৰীৰ পৰা মোবাইল ফোন ব্যৱহাৰকাৰীৰ বাবে DVB-T2 ব্যৱস্থাৰ জৰিয়তে বিনামূলীয়া টিভি সেৱা আগবঢ়াবলৈ লৈছে। ২০১৬ চনৰ ৫ এপ্ৰিললৈকে এই সেৱা দেশৰ চাৰিখন মহানগৰকে ধৰি আন ১৬খন চহৰলৈ সম্প্ৰসাৰিত হৈছে।

- **কেইটামান DTTB ৰ নাম হ'ল ঃ**

(ক) ASTC DTV **এডভান্সড- টেলিভিছন ষ্টেণ্ডার্ড কমিটি (চিষ্টেম এ)**

(খ) ASTC -M/G **এডভান্সড- টেলিভিছন চিষ্টেমচ্ কমিটি মোবাইল এণ্ড হেণ্ড**

(গ) DVB-H **ডিজিটেল ভিডিঅ' ব্ৰডকাষ্টিং হেণ্ডহেল্ড**

(ঘ) DVB-T **ডিজিটেল ভিডিঅ' ব্ৰডকাষ্টিং টেৰেষ্ট্ৰিয়েল (চিষ্টেম বি)**

(ঙ) ISDB-T **ডিজিটেল ভিডিঅ' ব্ৰডকাষ্টিং টেৰেষ্ট্ৰিয়েল (চিষ্টেম বি)**

(চ) ISDB-TSB **ইণ্টিগ্ৰেটেড চাৰ্ভিচেজ ডিজিটেল ব্ৰডকাষ্টিং টেৰেষ্ট্ৰিয়েল চাউণ্ড ব্ৰডকাষ্টিং (চিষ্টেম এফ)**

(ছ) FLO- **ফৰৱাৰ্ড লিংক অ'নলি (চিষ্টেম এম)**



৪.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৫৯ চনৰ ছেপ্তেম্বৰ মাহত দিল্লীৰ পৰা দেশৰ প্ৰথমটো পৰীক্ষামূলক টেৰেষ্ট্ৰিয়েল (স্থলভাগৰ ওপৰেদি কৰা) টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ কৰা হৈছিল। অল ইণ্ডিয়া ৰেডিঅ' সেৱাৰ অধীনত সম্প্ৰচাৰ কৰা এই অনুষ্ঠানৰ বাবে এটা অস্থায়ী ষ্টুডিঅ' নিৰ্মাণ

আৰু এটা ক্ষুদ্ৰ ট্ৰান্সমিটাৰ ব্যৱহাৰ কৰা হৈছিল।

- ১৯৭৫ চনত ভাৰত চৰকাৰে পৰীক্ষামূলকভাৱে চেটেলাইট ভিত্তিকটেলিভিছন সেৱা আৰম্ভ কৰিছিল। এই পৰীক্ষাৰ লক্ষ্য আছিল দেশৰ আৰ্থ-সামাজিক উন্নয়নত টেলিবিজ্ঞন সেৱা প্ৰয়োগৰ সম্ভাৱনীয়তা নিৰ্ধাৰণ কৰা। এই পৰীক্ষামূলক কাৰ্যসূচীখনৰ নাম আছিল SITE (Satellite Instructional Television Experiment) ।
- ১৯৮৪ চনত ভাৰতীয় টেলিভিছনৰ প্ৰথম চ'প অপেৰা 'হমলোগ'ৰ সম্প্ৰচাৰ আৰম্ভ হৈছিল। ধাৰাবাহিক খনে নাৰী কল্যাণ, পৰিয়াল পৰিকল্পনা, ইতিবাচক সামাজিক প্ৰমূল্য সুদৃঢ়কৰণৰ লগতে সামাজিক কুপ্ৰথাবোৰ প্ৰকাশ কৰাৰ চেষ্টা চলাইছিল।
- বৈদ্যুতিক মাধ্যমে সাক্ষৰ-নিৰক্ষৰ, ধনী-দুখীয়া অভিজাত সাধাৰণ সকলো শ্ৰেণীৰ দৰ্শকৰে চাহিদা পূৰণ কৰে। ই দৰ্শকক বাছি ল'ব পৰাকৈ পৰ্যাপ্ত বিকল্পও আগবঢ়ায় ।ইয়াৰ সাধাৰণ লোকক মনোৰঞ্জন প্ৰদান কৰিব পৰা সামৰ্থৰ লগতে বিশেষভাৱে সক্ষম নাইবা দিব্যাংগ লোকসকলৰ মনোৰঞ্জনৰ চাহিদা পূৰাব পৰা বৈশিষ্ট্যও আছে।
- ১৯৮২ চনৰ পাছত ভাৰতত টেলিভিছন সেৱা সম্প্ৰসাৰণৰ পৰৱৰ্তী পৰ্যায়টো আৰম্ভ হৈছিল। দেশে সেই বছৰ এচিয়ান গে'মছ পতাৰ সুযোগ লাভ কৰিছিল। দূৰদৰ্শনে এচিয়ান গে'মছৰ ৰঙীন সম্প্ৰচাৰ আৰম্ভ কৰাৰ প্ৰস্তুতি চলাইছিল। একেসময়তে INSAT চেটেলাইটৰ উৎক্ষেপনে টেলিভিছন সেৱাক কেইবাঢাপো আগবঢ়াই নিছিল।
- ইন্দিৰা গান্ধী তথ্য আৰু সম্প্ৰচাৰ বিভাগৰকেন্দ্ৰীয় মন্ত্ৰী হৈ থকাৰ সময়ত ১৯৬৪ চনত এ.কে.চন্দাৰ নেতৃত্বত এখন সমিতি গঠন কৰা হৈছিল। সমিতিয়ে ১৯৬৬ চনত ইয়াৰ প্ৰতিবেদন দাখিল কৰিছিল।
- ভাৰতৰ জৰুৰী অৱস্থা শাম কটাৰ পাছত ক্ষমতালৈ অহা জনতা চৰকাৰে ১৯৭৭ চনৰ আগষ্ট মাহত আকাশবাণী আৰু দূৰদৰ্শনৰ স্বনিয়ন্ত্ৰণৰ বিষয়টো চালি-জাৰি চাবলৈ এটা কৰ্ণধাৰ গোট গঠন কৰি দিছিল। বি. জি. ভাৰ্গিছ নেতৃত্বাধীন এই গোটটোৱে ১৯৭৮ চনৰ ২৪ ফেব্ৰুৱাৰীত ইয়াৰ দিহা-পৰামৰ্শসমূহ চৰকাৰৰ হাতত দাখিল কৰিছিল। ভাৰ্গিছ সমিতিৰ মুখ্য পৰামৰ্শ আছিল অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদৰ্শনৰ বাবে 'আকাশ ভাৰতী' নাইবা ৰাষ্ট্ৰীয় সম্প্ৰচাৰ ন্যাস গঠন কৰা। চৰকাৰে এই পৰামৰ্শ মানি নল'লে।
- ১৯৮২ চনত চৰকাৰে দূৰদৰ্শনৰ বাবে এটা চফ্‌ট'ৱেৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে ড° পি.চি. যোশীৰ অধ্যক্ষতাত এটা কৰ্ণধাৰ গোট গঠন কৰিছিল। এই গোটটোৱে ১৯৮৪ চনত ইয়াৰ প্ৰতিবেদন দাখিল কৰিছিল। প্ৰতিবেদনত দূৰদৰ্শনত সেই সময়ত প্ৰচলিত কাৰ্য সম্পাদন বিষয়ক স্বাধীনতাৰ অভাৱৰ দিশটো স্পষ্টকৈ উল্লেখ কৰা হৈছিল।
- ভাৰত চৰকাৰে ১৯৯০ চনৰ ছেপ্টেম্বৰ মাহত প্ৰসাৰ ভাৰতী (ভাৰতীয় সম্প্ৰচাৰ নিগম) আইন, ১৯৯০ চন গৃহীত কৰে।
- ডিজিটেল টেৰেষ্ট্ৰিয়েল টেলিভিছন (DTTV নাইবা DTT)টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰৰ

ক্ষেত্ৰখনত সূচনা হোৱা এটা প্ৰযুক্তিগত ক্ৰমবিকাশ বুলি গণ্য কৰা হয়। (DTTB) হ'ল সম্প্ৰচাৰৰ এক শেহতীয়া শৈলী। ই দৰ্শকক পৰম্পৰাগত এনাল'গ টিভি সংকেততকৈ বহুগুণে উচ্চ দৃশ্য আৰু শ্ৰব্য সংকেত গ্ৰহণৰ সুবিধা আগবঢ়ায়। এনে সংকেত কোনো ছায়া প্ৰতিকৃতি (ghost images) অথবা বাহ্যিক ধ্বনিৰ দ্বাৰা ব্যাহত নহয়।



৪.১৩ অধিক জানিবলৈ

1. PC Chatterjee (1987): Broadcasting in India, Sage, New Delhi
2. Nilanjana Gupta (1998): Switching Channels: Ideologies of Television in India, Oxford University Press, New Delhi
3. HR Luthra (1986): Indian Broadcasting, Publications Devision, New Delhi
4. David Page and William Crowley (2001): Satellites Over South Asia, Sage, New Delhi



৪.১৪ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্নঃ

১। কিয় ১৯৭৬ আৰু ১৯৮২ চনক ভাৰতীয় টেলিভিছন ইতিহাসৰ দুটা গুৰুত্বপূৰ্ণ বছৰ বুলি ধৰা হয়?

খ) চমু প্ৰশ্ন *(প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰ ভিতৰত লিখক)*

১। ভাৰতৰ সৰ্ববৃহৎ চেটেলাইট ভিত্তিক নিৰ্দেশনামূলক টেলিভিছন পৰীক্ষা কাৰ্যসূচীখনৰ বিষয়ে লিখক।

২। ভাৰতত ৰঙীন টেলিভিছন সম্প্ৰচাৰ সেৱাৰ আত্মপ্ৰকাশ সম্পৰ্কে চমুকৈ লিখক। ভাৰতীয় দৰ্শক আৰু অৰ্থনীতিত ইয়াৰ প্ৰভাৰ বৰ্ণনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন *(প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০ ৰ পৰা ৫০০ শব্দৰ ভিতৰত লিখক)*

১। INSAT কেতিয়া উৎক্ষেপন কৰা হৈছিল? ই কেনেকৈ দেশৰ টিভি অনুষ্ঠান সম্প্ৰচাৰ প্ৰযুক্তিলৈ বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই আনিছিল?

২। কেতিয়া প্ৰসাৰ ভাৰতী গঠন কৰা হৈছিল?

৩। চন্দা সমিতিৰ বিষয়ে চমুকৈ লিখক।

৪। যোশী সমিতিৰ গুৰুত্বপূৰ্ণ পৰামৰ্শটো কি আছিল?

৫। ভাৰ্গিছ কৰ্ণধাৰ গোট সমিতিখনৰ বিষয়ে বহলাই আলোচনা কৰক।

৬। ডিজিটেল টেৰেষ্ট্ৰিয়েল টেলিভিছন সম্প্ৰচাৰ বুলিলে কি বুজে?

৭। ভাৰতীয় টেলিভিছন সম্প্ৰচাৰৰ গুৰুত্বপূৰ্ণ সফলতাবোৰ ৩০০টা শব্দৰ ভিতৰত বৰ্ণনা কৰক।

****